# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-OCT-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

———————————————————

মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত ঝুমইৰ বিনন্দিনীত অংশগ্ৰহণকাৰী শিল্পী, প্ৰশিক্ষক আৰু বিশেষজ্ঞ সমিতিৰ সদস্যসকলক প্ৰশংসা-পত্ৰ আৰু মাননী প্ৰদান কৰে। এই শিল্পীসকলে যোৱা ২৪ ফেব্ৰুৱাৰীত অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ঝুমইৰ বিনন্দিনীত অংশ লৈছিল। আজিৰ অনুষ্ঠানত ২৪ খন জিলাৰ বিশেষজ্ঞ সমিতিৰ সদস্যসকলক ৫০ হাজাৰ টকাকৈ আৰু প্ৰশিক্ষক তথা শিল্পীসকলক ২৫ হাজাৰ টকাকৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰযোগে ধনৰাশি প্ৰদান কৰা হয়। বৰাক উপত্যকাৰ ৩ খন জিলাৰ শিল্পীসকলক পৰৱৰ্তী পৰ্যায়ত সন্মানিত কৰা হ'ব। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই চাহ বাগিচা অঞ্চলত অহা জানুৱাৰীত এশখন নতুন হাইস্কুল স্থাপন কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ কয়, যে ৰাজ্য চৰকাৰে চিকিৎসা মহাবিদ্যালয়ত ৩০ খন আসন চাহ বাগিচা তথা আদিবাসীলোকৰ বাবে সংৰক্ষণ কৰাৰ লগতে তৃতীয় আৰু চতুৰ্থবৰ্গৰ পৰীক্ষাতো চাহ জনগোষ্ঠীৰ লোকসকলৰ বাবে ৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

**বাইট (চি এম)**

আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত ৰাজ্যৰ ৩০ খন জিলাৰ চাহ বাগিচাৰ লগতে ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহত স্বাস্থ্য সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে ৮০ খন সঞ্জীৱনী বাহন মুকলি কৰে।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হৈছে। সেই অনুসৰি গুৱাহাটীৰ নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী নিষ্ঠা বৰগোহাঁইয়ে  এই প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছে। গহপুৰৰ নিউ স্কলাৰ্চ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী দিব্যা আত্ৰেয়ই দ্বিতীয় স্থান লাভ কৰিছে। যোৰহাটৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী অন্বেষা ফুকন আৰু গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ ৰোহিত গাঁওখোৱাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। বিজয়ী প্ৰতিযোগীসকলে তেওঁলোকৰ নিজ নিজ শিক্ষানুষ্ঠান আৰু  অধ্যয়ন কৰা শ্ৰেণীৰ প্ৰমাণপত্ৰ দাখিল কৰি পুৰস্কাৰ গ্ৰহণ কৰিব পাৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰত হ'বলগীয়া পুৰস্কাৰ বিতৰণ অনুষ্ঠানৰ তাৰিখ আৰু সময় দুই-

এদিনতে প্ৰকাশ কৰা হ'ব। পুৰস্কাৰ ৰূপত প্ৰথম তিনিটা স্থান লাভ কৰা আটাইকেইগৰাকী বিজয়ী প্ৰতিযোগিয়ে একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ আৰু এটাকৈ ৰেডিঅ'ছেট লাভ কৰিব।

০০০০০

অসম চৰকাৰে ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিক সামৰি ৰূপায়ণ কৰা **শুশ্ৰূষা সেতু** শীৰ্ষক কাৰ্যসূচীৰ অধীনত আজি ৰাজ্যৰ ১১টা বিধানসভা সমষ্টিত বৃহৎ স্বাস্থ্য শিবিৰ মুকলি কৰা হয়। গোৱালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত আগিয়াৰ জে এন মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত কৰা বৃহৎ স্বাস্থ্য শিবিৰত ১৮ বছৰ তলৰ শিশু আৰু বহুকেইখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই উদ্বোধন এই শিবিৰত গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ লগতে স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

দৰং জিলাৰ মঙলদৈৰ দাহি বালিকা বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ত আজি দ্বিতীয়টো স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত গুৱাহাটী আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ২১ গৰাকী বিশেষজ্ঞ চিকিৎসককে ধৰি ৫১ গৰাকী চিকিৎসকে বিভিন্ন ৰোগ চিনাক্তকৰণৰ বাবে বিনামূলীয়া চিকিৎসা প্ৰদান কৰে। জিলাখনৰ তৃতীয় তথা অন্তিমটো শিবিৰ ছিপাঝাৰ সমষ্টিৰ বাবে মুকলি কৰা হ'ব।

০০০০০

অসম প্ৰকাশন পৰিষদৰ সহযোগত আৰু গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত মহাবিদ্যালয়খনত আজিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন আলোচনা চক্ৰ অনুষ্ঠিত হৈছে। **অ'ৰেল ট্ৰেডিচন এণ্ড ইণ্ডিজেনিয়াছ নেৰেটিভ অৱ নৰ্থ-ইষ্ট ইণ্ডিয়া ঃ প্ৰিজাৰ্ভিং এ লিটাৰেৰী হেৰিটেজ** শীৰ্ষক আলোচনা চক্ৰৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক জয়ন্ত ডেকাই। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ প্ৰাণজিৎ কুমাৰ নাথে উদ্বোধনী ভাষণ দিয়ে। অনুষ্ঠানত অংশ লৈ অসম প্ৰকাশন পৰিষদৰ সদস্য সচিব প্ৰমোদ কলিতাই অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰত প্ৰকাশন পৰিষদে লোৱা বিভিন্ন কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যক্ষ ড০ কনক চন্দ্ৰ চহৰীয়াই আলোচনা চক্ৰত মুখ্য অতিথি হিচাপে ভাগ লৈ মৌখিক সাহিত্যৰ ভিতৰত লোকগাথা, লোকগীত, পৌৰাণিক কাহিনী, প্ৰবাদ-প্ৰবচন আৰু লোকনৃত্য-লোকসংগীতৰ সৈতে বৈচিত্ৰ্যপূৰ্ণ উপাদানসমূহৰ বিষয়ত আলোকপাত কৰে। আলোচনা চক্ৰত মুঠ ৫০ খন গৱেষণা পত্ৰ পাঠৰ ব্যৱস্থা কৰা হয়।

০০০০০

সমাপ্ত